**Regional News Unit**

Akashvani Guwahati

0000000000

**Date : 03-08-2024**

**Time : 17-15 Hrs**

**Assamese EVENING Bulletin**

::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু টাটা চনছ্‌ৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰণৰ উপস্থিতিত আজি জাগীৰোডৰ অসমৰ প্ৰথমটো চেমি কনডাক্টৰ প্ৰকল্পৰ ভূমিপূজন কৰা হয়। অসমক বিশ্বৰ অৰ্ধপৰিবাহী উদ্যোগ মূল হোতাৰূপে প্ৰতিষ্ঠা কৰাত এই উদ্যোগে বিশেষ ভূমিকা ল'ব বুলি আশা কৰা হৈছে। আজি জাগীৰোডত প্ৰকল্পটোৰ ভূমি পূজন অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজিৰ দিনটো অসম তথা উত্তৰ পূৱ ভাৰতৰ বাবে প্ৰযুক্তিগত বিকাশৰ পথত এটা উল্লেখযোগ্য দিন বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদ্যোগত টাটা গ্ৰুপে আৰম্ভ কৰা এই প্ৰকল্প অসমবাসীৰ বাবে তাৎপৰ্যপূৰ্ণ আৰম্ভণি বুলি অভিহিত কৰি ড০ শৰ্মাই টাটা গ্ৰুপে অঞ্চলটোৰ চাহ উদ্যোগৰ লগতে চিকিৎসা খণ্ডলৈ আগবঢ়োৱা সেৱাৰ বিষয়েও উল্লেখ কৰে। ৰাজ্যখনত উগ্ৰবাদী সমস্যা প্ৰতিহত কৰাত চৰকাৰৰ সফলতাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে উদ্যোগিক গোষ্ঠীটোক অসমত বিনিয়োগ কৰিবলৈ আহ্বান কৰিছিল বুলিও ড০ শৰ্মাই ভাষণ প্ৰসংগত উল্লেখ কৰে। উল্লেখযোগ্য যে, এই প্ৰকল্পটোত ইতিমধ্যে এহেজাৰ অসমীয়া যুৱতীক প্ৰশিক্ষণ দি নিয়োগৰ সুবিধা দিয়া হৈছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি টাটা চন্সৰ চেয়াৰমেন নটৰাজন চন্দ্ৰশেখৰণে কয় যে, জাগীৰোডত স্থাপন কৰা দেশৰ প্ৰথমটো চেমি কনডাক্টৰ প্ৰকল্পত বৈদ্যুতিক গাড়ী, মোবাইল ফোন আৰু চিকিৎসাৰ বিভিন্ন সঁজুলিৰ বাবে প্ৰয়োজনীয় ৪৮ হাজাৰ মিলিয়ন ছিপছ প্ৰতিদিনে উৎপাদন কৰা হ'ব। আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিমল বৰা, পিযুষ হাজৰিকা, নন্দিতা গাৰ্লোচা, যোগেন মহন আৰু মুখ্য সচিব ড০ ৰবি কোটাকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

ভাৰত পৰ্যাপ্ত খাদ্য-সামগ্ৰী থকা দেশ হিচাপে পৰিগণিত হোৱাৰ লগতে দেশখনৰ শক্তিশালী কৃষি খণ্ডৰ সহায়ত বিশ্বব্যাপি দেখা দিয়া ক্ষুধা আৰু পুষ্টিহীনতাৰ সমস্যা দূৰ কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়াবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় কৃষি বিজ্ঞান কেন্দ্ৰৰ চৌহদত ৩২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় কৃষি অৰ্থনীতিবিদ সন্মিলনত দিয়া ভাষণত এই কথা প্ৰকাশ কৰে।

৭৫ খন দেশৰ প্ৰতিনিধিয়ে অংশ লোৱা এই সন্মিলনত শ্ৰী মোদীয়ে লগতে কয় যে, ভাৰতৰ কৃষকসকলৰ উপকৃত কৰিব পৰাকৈ এহেজাৰ ৯০০ বিধৰো অধিক পৰিৱেশ অনুকূল বীজৰ প্ৰজাতি বিকশাই তোলা হৈছে। ইয়াৰ ফলত কৃষকসকলে ২৫ শতাংশ কম পানী ব্যৱহাৰ কৰি কৃষিকাৰ্য কৰিবলৈ সমৰ্থ হৈছে বুলিও তেওঁ কয়।  তেওঁ কয় যে, বহু সংস্কাৰ সাধনেৰে চৰকাৰে কৃষি খণ্ডক সবল কৰি তোলাৰ জৰিয়তে কৃষকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। শ্ৰী মোদীয়ে কয় যে, ভাৰত বিশ্বৰ সৰ্ববৃহৎ মিলেট, গাখীৰ, দাইল আৰু মচলা উৎপাদনকাৰী দেশ।

প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতে পৰম্পৰাগত আৰু প্ৰাকৃতিক কৃষিত গুৰুত্ব আৰোপ কৰি আহিছে। শেহতীয়া কেন্দ্ৰীয় বাজেটত বহনক্ষম কৃষিত বিশেষ আলোকপাত কৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতে কৃষি খণ্ডত ডিজিটীয় প্ৰযুক্তি ব্যৱহাৰ কৰিছে আৰু প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত দেশৰ ১০ কোটি কৃষকৰ বেংক একাউণ্টলৈ পুঁজি হস্তান্তৰ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ কৃষি গৱেষণা আৰু শিক্ষাৰ বলিষ্ঠ ব্যৱস্থাৰ কথা উনুকীয়াই দিয়ে। তেওঁ কয় যে, দেশত বৰ্তমান কৃষি শিক্ষণৰ বাবে ৫০০ৰো অধিক কৃষি মহাবিদ্যালয় আৰু ৭০০ৰো অধিক কৃষি বিজ্ঞান কেন্দ্ৰ আছে। এই শিক্ষা প্ৰতিষ্ঠানসমূহৰ জৰিয়তে কৃষকসকলক নতুন প্ৰযুক্তি সন্দৰ্ভত তথ্যৰ যোগান ধৰা হয় বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, বিগত ১০ বছৰত ৯০ লাখ হেক্টৰ কৃষি ভূমিক ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাৰ অধীনলৈ অনা হৈছে। কৃষি ভূমিৰ ডিজিটীয়কৰণ অভিযানত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ইয়াৰ জৰিয়তে কৃষকক তেওঁলোকৰ কৃষি ভূমিৰ বিপৰীতে একোটা ডিজিটীয় পৰিচয়চিহ্ন দিয়া হ'ব আৰু কৃষি কাৰ্যত ড্ৰোণ ব্যৱহাৰক উৎসাহিত কৰাৰ বাবে ড্ৰোণ দিদিসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। শ্ৰী মোদীয়ে দৃঢ়তাৰে কয় যে, চৰকাৰৰ এই ব্যৱস্থাসমূহে কেৱল ভাৰতৰ কৃষকসকলকে লাভান্বিত নকৰে বৰং বিশ্বজুৰি খাদ্য সুৰক্ষা সুনিশ্চিত কৰিব।

প্ৰধানমন্ত্ৰীয়ে ভাৰতত ছুপাৰ ফুড হিচাপে ক'লা চাউলৰ ব্যৱহাৰৰ বিষয়ে উল্লেখ কৰি কয় যে, অসম, মণিপুৰ আৰু মেঘালয়ত উৎপাদিত ক'লা চাউল ইয়াৰ ঔষধি গুণৰ বাবে পচন্দৰ বিকল্প হৈ পৰিছে।

উল্লেখযোগ্য যে এইবাৰৰ সমাৰোহৰ বিষয়বস্তু হৈছে **বহনক্ষম কৃষি খাদ্য ব্যৱস্থাৰ ৰূপান্তৰকৰণ**। এই সমাৰোহত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতৰ কৃষি বিকাশৰ হাৰ বিশ্বৰ ভিতৰতে সৰ্বাধিক হৈছে। শ্ৰী চৌহানে কৃষি কাৰ্যত অত্যধিক ৰাসায়নিক সাৰ প্ৰয়োগৰ কুফলত আলোকপাত কৰি কয় যে, ৰাসায়নিক সাৰৰ প্ৰয়োগে মাটিৰ উৰ্বৰতা হ্ৰাস কৰি আনে। সেয়ে ভাৰতে বৰ্তমান প্ৰাকৃতিক কৃষিত গুৰুত্ব দিয়া বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০

রাজ্যৰ বিভিন্ন জিলাত খহনীয়াৰ সমস্যাই ভাবুকি সৃষ্টি কৰিছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ আইৰমাৰীত ব্ৰহ্মপুত্ৰ খহনীয়াই কমেও ৫০টা পৰিয়ালৰ বাসগৃহৰ ক্ষতি কৰাৰ লগতে বিস্তীৰ্ণ কৃষিভূমি খহাই পেলাইছে। জানিব পৰা মতে খহনীয়াৰ ফলত এহেজাৰ বিঘাতকৈও অধিক ভূমি নৈত জাহ গৈছে। জনসাধাৰণে ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা ল'বলৈ বিভাগীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক আহ্বান জনাইছে।

০০০০

গুৱাহাটী মহানগৰৰ পূৱ প্ৰান্তত অৱস্থিত পুৰণি উচ্চ শিক্ষানুষ্ঠান গুৱাহাটী কলেজৰ হীৰক জয়ন্তী বৰ্ষৰ আজি দিনযোৰা কাৰ্যসূচীৰে শুভাৰম্ভণি কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ প্ৰণৱ শাণ্ডিল্য আৰু পৰিচালনা সমিতিৰ সভাপতি ড০ ইন্দ্ৰকুমাৰ  ভট্টাচাৰ্যই আৰম্ভ কৰা  দিনটোৰ কাৰ্যসূচীৰ অংশ হিচাপে আয়োজন কৰা মুকলি সভাত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ভাৰত ভূষণ দেৱচৌধুৰীয়ে নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত এভাৰেষ্ট বিজয়ী পৰ্বতাৰোহী তৰুণ শইকীয়াকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়ালৈ সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং চাইনীয়ে আজি শক্তিপীঠ কামাখ্যা ধামত পূজা অৰ্চনা আগবঢ়ায়। ইয়াৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা মত বিনিময়ত শ্ৰীচাইনীয়ে  অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ উচ্চ প্ৰশংসা কৰি  কয় যে, মুখ্যমন্ত্ৰীগৰাকীয়ে লোৱা পদক্ষেপসমূহৰ ফলত অসম বিকাশৰ পথত অগ্ৰসৰ হৈছে। ইয়াৰ লগতে শ্ৰীচাইনীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে হাতত লোৱা পদক্ষেপসমূহৰ বিষয়েও উল্লেখ কৰে।

০০০০

পেৰিছ অলিম্পিকত শ্যুটিঙত দুটাকৈ পদক বিজয়ী মনু ভাকৰ তৃতীয়টো পদকৰ বাবে মহিলাৰ ২৫ মিটাৰ পিষ্টল শিতানৰ ফাইনেলত অৱতীৰ্ণ হৈছিল যদিও পদক লাভত ব্যৰ্থ হয়। আনহাতে, আজি নিশা বক্সাৰ নিশান্ত দেৱ পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাত মেক্সিকোৰ প্ৰতিদ্বন্দিৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০০০

সমাপ্ত